# PASS BOOK

## NOWBOICHA COLLEGE TEACHERS' WELFARE FUND (NCTWF)

North Lakhimpur : Assam

Name: Mr. Madhab Borah.

Address: Nowboicha College

Printed at Sahaj Arunudoi Kendra, Doolahat Bazar

# নাওবৈচা মহাবিদ্যালয় শিক্ষক কল্যাণ নিধি ২০০০

## উপবিধি

**১। নামাকৰণঃ**

এই পুঁজিৰ নামাকৰণ **নাওবৈচা মহাবিদ্যালয় শিক্ষক কল্যাণ নিধি** নামেৰে জনাজাত হ'ব। ইংৰাজীত - Nowboicha College Teachers' Welfare Fund চমুকৈ NCTWF

**২। পৰিসৰঃ**

এই কল্যাণ নিধি নাওবৈচা মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী সকলৰ মাজত সীমাবদ্ধ থাকিব।

**৩। সদস্য ভৰ্ত্তিঃ**

ক)নাওবৈচা মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষক-কৰ্মচাৰীয়েই ইয়াৰ সদস্য হ'ব পাৰিব।

খ) অস্থায়ী ভাৱে নিযুক্ত শিক্ষক/ শিক্ষয়িত্ৰী এই নিধিৰ সদস্য হ'ব নোৱাৰিব।

গ) সদস্য ভৰ্ত্তি মাচুল ১০০০ (এক হাজাৰ) টকা হ'ব।

ঘ) সদস্য ভৰ্ত্তিৰ আবেদন প্ৰ-পত্ৰত মনোনীত সদস্যৰ (Nominee) নাম উল্লেখ কৰি নিজ হাতে স্বাক্ষৰ কৰি আবেদন কৰিব লাগিব।

ঙ) সদস্য ভুক্ত সকলো সদস্য-সদস্যাই সমিতিৰ নীতি নির্দেশনা মানি চলিব লাগিব।

৪। উদ্দেশ্যঃ-

ক) শিক্ষক-কর্মচাৰী সকলৰ বিপদকালীন অৱস্থাত ঋণ হিচাৱে সাহায্য আগবঢ়োৱা।

খ) শিক্ষক-কির্মচাৰী সকলৰ আর্থিক উন্নতিৰ হকে ঋণ প্রদান কৰা।

গ) শিক্ষক কল্যাণ নিধিৰ পুঁজি টনকিয়াল কৰা ক্ষেত্রত সমিতিৰ সিদ্ধান্তমতে বিভিন্ন উপায়ে শিক্ষক কল্যাণৰ কাৰণে আদর্শগত ব্যৱস্থা লোৱা।

৫। পুঁজি গঠনঃ-

ক) এই পুঁজিলৈ মহাবিদ্যালয়ৰ শিক্ষক-কর্মচাৰী সকলৰ প্রতিজনৰ বেতনৰ পৰা প্রতিমাহে নিম্নতম ২০০/- টকাকৈ সংগ্রহ কৰা হ'ব।২০০ টকাক একোটা একক অংশ হিচাৱে গণ্য কৰা হ'ব।

খ) কোনো শিক্ষক-কর্মচাৰীয়ে ইচ্ছা কৰিলে দুশ টকীয়া একাধিক পৰিমাণৰ অংশ জমা কৰিব পাৰিব; কিন্তু উক্ত অংশ ধন ধাৰাবাহিক ভাৱে জমা হ'ব লাগিব।

গ) কোনো সদস্যই দিবলগীয়া মাহিলী বৰঙণি কোনা মাহত দিব



নোৱাৰিলে পিচৰ মাহত দুয়োমাহৰ একে লগে দিব পাৰিব; কিন্তু আগৰ মাহৰ বাবে শতকৰা ২ টকা জৰিমনা দিব লাগিব। অৱশ্যে কোনো মাহত দৰমহা নাপালে এই নিয়ম প্রযোজ্য নহ'ব।

ঘ) সংগৃহীত সকলো ধন Nowboicha SBI ত নিধিৰ Account No - 11867311849 তৎকালীন ভাৱে জমা কৰিব। বেংকত জমা নকৰাকৈ পোনপটীয়া ভাৱে ধন খৰচ কৰিব নোৱাৰিব।

ঙ) বেংকৰ লেনদেন সভাপতি আৰু কোষাধক্ষ্যৰ যুটীয়া স্বাক্ষৰত হ'ব।

চ) সদস্য সকলৰ লগত হোৱা লেনদেনৰ বাবে একোখন সুকীয়া পাচবুক ব্যৱহাৰ কৰিব।

৬। **সাধাৰণ সভাঃ**

ক) নিধিৰ অংশীদাৰ সদস্য সকলক লৈ এখন সাধাৰণ সভা থাকিব। এই সাধাৰণ সভাই নিধিৰ ক্ষেত্রত সর্বেসর্বা হ'ব।

খ) পৰিচালনা সমিতিৰ দ্বাৰা প্রেৰিত পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত হিচাবটো সাধাৰণ সভাই অনুমোদন কৰিলেহে কার্যকৰী হ'ব।

গ) বছৰৰ শেষত সাধাৰণ সভাই মুঠ লাভাংশৰ ধন সদস্য সকলৰ মাজত বিতৰণ কৰাব।

ঘ) পৰিচালনা সমিতি বা কোনো বিষয়ববীয়াই নিধিৰ নিয়ম উলংঘা কৰিলে সেই বিষয়ববীয়া বা পৰিচালনা সমিতিৰ ওপৰত

সাধাৰণ সভাই ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

ঙ) কোনো পদাধিকাৰে নিধিৰ নিতি নিয়ম ভঙ্গ কৰিলে সাধাৰন সভাই যথোচিত ব্যৱস্থা ল'ব পাৰিব।

চ) সাধাৰণ সভাই নিধি পৰিচালনাৰ বাবে এখন পৰিচালনা সমিতি গঠন কৰিব। একে সভাই দুজন হিচাপ পৰীক্ষকৰ নিৰ্বাচন কৰিব, কিন্তু হিচাপ পৰীক্ষক পৰিচালনা সমিতিৰ সদস্য হিচাপে পৰিগণিত নহ'ব।

ছ) সাধাৰণ সভাৰ থুল হ'বলৈ মুঠ সদস্যৰ দুই তৃতীয়াংশ সদস্য সভাত উপস্থিত থাকিব লাগিব।

জ) পৰিচালনা সমিতিৰ সভাপতিয়েই সাধাৰন সভাৰ বৈঠকত সভাপতিত্ব কৰিব। সভাপতিৰ অনুপস্থিতিত এজন জেষ্ঠ সদস্যই সেইদিনাৰ বাবে সভাপতিত্ব কৰিব।

## ৭। পৰিচালনা সমিতিঃ-

ক) সাধাৰণ সভাই তলত উল্লেখ কৰা ধৰণে এখন পৰিচালনা সমিতি গঠন কৰিব।

১। সভাপতি ১ জন
২। সম্পাদক ১ জন
৩। কোষধক্ষ্য ১ জন, আৰু
৪। সদস্য ৫ জন



খ) পৰিচালনা সমিতিৰ ম্যাদ দুবছৰ হ'ব।

গ) ঋণ বিতৰণ, সংগ্ৰহ বা সকলো প্ৰকাৰৰ পুঁজি পৰিচালনাৰ দায়িত্ব এই সমিতিৰ ওপৰত ন্যস্ত থাকিব।

ঘ) পৰিচালনা সমিতিয়ে বছেৰেকীয়া হিচাৰ পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰাই সাধাৰণ সভা আহবান কৰি অনুমোদনৰ বাবে দাখিল কৰিব।

ঙ) পৰিচালনা সমিতিৰ থুল হ'বলৈ মুঠ সদস্যৰ ২ তৃতীয়াংশ সদস্য সভাত উপস্থিত থাকিব লাগিব।

## ৮। সম্পাদক আৰু কোযাধক্ষ্যৰ দায়িত্বঃ-

ক) সম্পাদক সমিতি পৰিচালনা আৰু সিদ্ধান্ত সম্পৰ্কীয় সকলো নথিপত্ৰৰ দায়িত্বত থাকি কাৰ্যনিৰ্বাহ কৰিব।

খ) সম্পাদকে আহবান কৰিব লগীয়া বৈঠক আহবান নকৰাকৈ থাকিলে মুঠ সদস্যৰ দুই-তৃতীয়াংশই ইচ্ছা প্ৰকাশ কৰিলে সভাপতিয়ে সভা অনুষ্ঠিত কৰাৰ বাবে অনুমতি প্ৰদান কৰিব লাগিব।

গ) কোষাধক্ষ্যই ৰোকড় বহী (Cash Book) আৰু অন্যান্য পুঁজি সম্পৰ্কীয় নথি-পত্ৰ ৰাখি কাৰ্য নিৰ্বাহ কৰিব।

ঘ) ঋণদান ও সংগ্ৰহৰ বাবে সুকীয়া-সুকীয়া খতিয়ান বহী ৰাখিব লাগিব।

ঙ) হিচাৰ পৰীক্ষকে অডিট ৰিপোৰ্ট পকা বন্ধা বহীত দাখিল কৰিব লাগিব।

## ৯। পুঁজি বিভাজনঃ-

ঋণ বিতৰণৰ ক্ষেত্ৰত পুঁজি জমা ধনক দুটা ভাগত ভাগ কৰা হ'ব। ১) সাধাৰণ পুঁজি আৰু ২) আছুতীয়া পুঁজি

**১) সাধাৰণ পুঁজিঃ-** জমা ধনৰ ৮০ শতাংশক সাধাৰণ পুঁজি হিচাপে গণ্য কৰা হয়।

**২) আছুতীয়া পুঁজিঃ-** জমা ধনৰ ১০ শতাংশক আছুতীয়া পুঁজি হিচাপে হিচাপে গণ্য কৰা হ'ব।

## ১০। ঋণ বিতৰণঃ-

ক) ঋণ আবেদনৰ ওপৰত কোষাধক্ষ্যই আবেদনকাৰীৰ নামত ঋণ চলি আছেনে নাই আৰু আবেদনকাৰীৰ মুঠ অংশ ধনৰ হিচাপ লিখিত ভাৱে দিয়াৰ পিছতহে ঋণ দিয়া সম্পৰ্কে সভাই আলোচনা কৰিব।

খ) ঋণৰ সৰ্বোচ্চ পৰিমাণ সদস্য জনৰ জমা ধনৰ দুগুণ (চৰ্তসাপেক্ষে) হ'ব।

গ) ঋণৰ আবেদনৰ ওপৰত আলোচনা কৰাৰ পূৰ্বে কোষাধক্ষ্যই পুঁজিত জমা থকা ধনৰ হিচাপ লিখিত ভাৱে জনাব লাগিব।

ঘ) যি সকল সদস্যই দৰমহা হোৱাৰ লগে লগে ঋণ পৰিশোধ নকৰি পাচত (বেংকত টকা জমা দিয়াৰ পাচত) সেই মাহতে পৰিশোধ কৰিব বিচাৰে তেনে ক্ষেত্ৰত সেই মাহৰো ঋণৰ কিস্তিৰ লগতে সুদো



আদায় কৰিব লাগিব।

ঙ) ঋণ পাওঁতা সকলে পূৰ্বৰ ঋণৰ বাকী থকা ধন বাদ দিহে ঋণ পাব আৰু ঋণীয়ে সেই পৰিমাণৰ ঋণ ধনৰ বিপৰীতে চহী কৰিব। কিন্তু বাকী থকা ঋণ আৰু নতুন ঋণ লগহৈ অংশ ধনৰ দুগুণৰ বেছি হ'ব নোৱাৰিব। উক্ত ঋণ সেই দিনৰে পৰা নতুন ঋণ হিচাপে গণ্য হ'ব আৰু সমুদায় ঋণৰ ওপৰত কিস্তি নিৰ্দ্ধাৰণ হ'ব।

চ) ঋণ লওঁতাই আবেদনৰ যোগেদি ঋণ বিচাৰিব আৰু সমিতিৰ সিদ্ধান্ত মতে পাব।

ছ) ঋণৰ ওপৰত মাহিলী শতকৰা এটকা হাৰত সুদ হ'ব আৰু সেই মাহৰ পৰাই সুদ পৰিশোধ কৰিব লাগিব।

জ) নতুন সদস্যৰ ক্ষেত্ৰত প্ৰথম এবছৰলৈ ঋণ দিয়া নহ'ব।

ঝ) আছুতীয়া পুঁজিৰ ক্ষেত্ৰত এটা সাধাৰণ পুঁজিৰ ঋণ চলি থকা অৱস্থাত যদি কোনো সদস্যৰ আকস্মিক বিপদ হয় তেনে ক্ষেত্ৰত সদস্য জনক আছুতীয়া পুঁজিৰ পৰা পুনৰ এটা ঋণ দিব পাৰিব।

## ১১) ঋণ পৰিশোধঃ

ক) ঋণ লওঁতাই ঋণ লোৱা পাছৰ মাহৰ দৰমহাৰ পৰাই সুদ সহ নিয়মিত ভাৱে ঋণ পৰিশোধ কৰিব লাগিব।

**খ)** ঋণ লওঁতাই ১০ হাজাৰ পৰ্যন্ত ১০ টা, ২০ হাজাৰ পৰ্যন্ত ২০ টা, ৩০ হাজাৰ পৰ্যন্ত ৩০ টা সমপৰিমাণৰ কিস্তিত প্ৰতিমাহৰ বেতনৰ পৰা নিয়মিত ভাৱে সুদ সহ পৰিশোধ কৰিব লাগিব।

গ) আচুতীয়া পুঁজিৰ ঋণ ঋণীয়ে সৰ্বোচ দহটা সমপৰিমানৰ কিস্তিত সুদ সহ পৰিশোধ কৰিব লাগিব।

**১২। লাভাংশৰ বিতৰণঃ-**

ক) বছৰৰ শেষত চেপ্টেম্বৰ মাহৰ দহ তাৰিখৰ ভিতৰত নিধিৰ সাধাৰণ সভা অনুষ্ঠিত হ'ব। উক্ত সভাত হিচাপ পৰীক্ষকৰ প্ৰতিবেদনৰ গ্ৰহণ হোৱাৰ পিছত লাভাংশ নিৰ্দ্ধাৰণ কৰা হ'ব।

খ) বছৰৰ সমুদায় খৰচ বাদ দি বাকী থকা লাভাংশৰ সমুদায় ধন সদস্য সকলৰ মাজত বনাচ হিচাপে বিতৰণ কৰা হ'ব।

গ) সদস্য সকলৰ জমা অংশ ধনৰ ওপৰত শতকৰা হাৰত বনাচ বিতৰণ কৰা হ'ব।

**১৩। সাধাৰণ নিয়মঃ-**

ক) নিধিৰ বিত্তীয় বছৰ ১ চেপ্টেম্বৰৰ পৰা ৩১ আগষ্টলৈ হ'ব।

খ) কোনো সদস্যই কিবা কাৰণত মহাবিদ্যালয় এৰি যাব লগা হ'লে তেনে সদস্যৰ মূলধন তৎকালীন ভাৱে ঘূৰাই দিয়া হ'ব। কিন্তু লাভাংশ বছেৰেকীয়া হিচাপৰ পিছতহে দিয়া হ'ব।



গ) ঋণ লোৱাৰ সময়ছোৱাত কোনো সদস্যৰ যদি আকস্মিক বিয়োগ ঘটে তেতিয়া যি মনোনীত (Nominee) লোকৰ নাম উল্লেখ আছিল তেঁও সমুদায় ঋণ ঘুৰাই দিব লাগিব বা পাপ্র্য থাকিলে তেওঁ পাব।

ঘ) নতুন সদস্য ভৰ্ত্তি ও অংশ বৃদ্ধি দ্বি-বাৰ্ষিক অধিবেশনৰ সিদ্ধন্ত মৰ্মে সেই মাহৰ পৰা হ'ব।

ঙ) সকলো নথি-পত্ৰ সভাপতিৰ স্বাক্ষৰতহে কাৰ্যকৰী হ'ব।

চ) সকলো বিতৰ্কিত বিষয়ৰ ওপৰত সাধাৰণ সভাৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

ছ) কোনো সদস্যই পদ উঠাই ল'ব বিচাৰিলে সাধাৰণ সভাৰ সিদ্ধান্তই চূৰান্ত হ'ব।

জ) উপবিধিত সন্নিবিষ্ট নথকা যিকোনো পৰিস্থিতিৰ উদ্ভৱ হলে পৰিচালনা সমিতিয়ে তৎকালীন ভাৱে সভা পাতি সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব।

ঝ) এই নিয়মাৱলীৰ নিয়ম সমূহ প্ৰয়োজন সাপেক্ষে সাধাৰণ সভা বহি সংশোধন বা সংযোজন কৰিব পাৰিব।

ঞ) নিয়মাৱলী সন্নিবিষ্ট একোখন Pass Book প্ৰতি জনকে দিয়া হ'ব।

ooooooooooooooo